**অসমবিধানসভা**
**লিখিত প্ৰশ্ননং-২১৫**
**উত্তৰদিয়াৰ তাৰিখ-১০/০৭/২০২৬**

বিষয়: চিকিৎসালয়ৰ আন্তঃগাঁথনি সম্পৰ্কে ।

শ্ৰীআফতাব উদ্দিন মোল্লা, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) জলেশ্বৰ সমষ্টিত প্ৰায়বোৰ চিকিৎসালয়ত বিশেষকৈ Jaleswar Model Hospital আৰু Aambari Bazar Model Hospital আৰু Dhumerghat State Dispenceryত পৰ্য্যাপ্ত সংখ্যক চিকিৎসকৰ লগতে নাৰ্চও নাই। যাৰ ফলত সাধাৰণ ৰাইজ বহুতো অসুবিধাত পৰিছে। সেই অসুবিধাবোৰ দূৰ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে? যদি লৈছে, জনাব।

(খ) এই প্ৰায়বোৰ চিকিৎসালয়ত উপযুক্তভাবে আন্তঃগাঁথনি নাই আৰু সেই চিকিৎসালয়বোৰত আন্তঃগাঁথনিৰ সু-ব্যৱস্থা চৰকাৰে কৰিবনে? যদি কৰে, কেতিয়ালৈ কৰিব সদনত জনাব।

-উত্তৰ-

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰী অশোক সিংঘল দেৱে উত্তৰ দিব:-

(ক) Jaleswar Model Hospital, Ambari Bazar Model Hospital আৰু Dhumerghat State Dispensary ত নিয়োগ কৰা চিকিৎসক, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰীৰ তথ্য তলত দিয়া ধৰনৰঃ

| | Jaleswar Model Hospital | | | Ambari Bazar Model Hospital | | | Dhumerghat State Dispensary | | |
|---|---|---|---|---|---|---|---|---|---|
| **Name of Post** | **Regular** | **NHM** | **Total** | **Regular** | **NHM** | **Total** | **Regular** | **NHM** | **Total** |
| Doctor | 3 | 1 | 4 | 4 | 2 | 6 | 1 | 1 | 2 |
| Nurse | 5 | 4 | 9 | 5 | 3 | 8 | 2 | 1 | 3 |
| Paramedical | 3 | 2 | 5 | 4 | 2 | 6 | 0 | 2 | 2 |
| Others | 1 | 6 | 7 | 8 | 1 | 9 | 1 | 1 | 2 |

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ তৰফৰপৰা পৰবৰ্তী কালত প্ৰয়োজন সাপেক্ষে সময়ে সময়ে অতিৰিক্ত চিকিৎসক, নাৰ্চ ও অন্যান্য কৰ্মচাৰী নিয়োগ কৰি স্বাস্থ্য সেৱা ব্যাহত নোহোৱাকৈ চলাই থকাৰ ব্যৱস্থা আছে।

(খ) আমবাৰী বজাৰ মডেল হস্পিতাল আৰু জলেশ্বৰ মডেল হস্পিতালত বৰ্তমান প্ৰাথমিক চিকিৎসালয় সেৱা, জৰুৰীকালীন সেৱা, মাতৃ আৰু শিশু স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। ইয়াৰোপৰি স্থানীয় জনসাধাৰণক প্ৰয়োজন অনুসৰি উন্নত চিকিৎসাৰ বাবে উচ্চ পৰ্যায়ৰ চিকিৎসালয়লৈ প্ৰেৰন কৰাৰো ব্যৱস্থা আছে। কিন্তু ধুমেৰঘাট মহকুমা চিকিৎসালয়ৰ ভৱনটো পুৰণি অসম আৰ্হিৰ গাথঁনিৰ আৰু ইয়াৰ চাৰিসীমাৰ দেৱাল সমূহো দূৰ্বল। এই সন্দৰ্ভত ধুমেৰঘাট ১০ খন বিচনাযুক্ত মহকুমা চিকিৎসালয়ৰ ভৱনটো নিৰ্মাণৰ বাবে যুঁটীয়া স্বাস্থ্য সেৱা সঞ্চালক, গোৱালপাৰাৰ পৰা পত্ৰনং DHS/GLP/NHM/const./2026-27/2533 Date 12/6/2026 ৰ জৰিয়তে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমলৈ এটি প্ৰস্তাৱ দাখিল কৰিছে।

---ooo---

**বিঃ দ্ৰঃ -ওপৰোক্ত উত্তৰবোৰ ইতিমধ্যে অনলাইনত আপলোড কৰা হৈছে।**